NEWZ NOW

সংখ্যা ৩৫ | শনিবাৰ, ২৮ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

ভূপেন হাজৰিকা অনুপ্ৰেৰণা আৰু জুবিন গাৰ্গ শক্তিৰ উৎস: হিমন্ত বিশ্ব শৰ্মা

ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ সংগীত সাধনাৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ মতামত ব্যক্ত কৰে।



NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৫:০০

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিংবদন্তি সংগীতশিল্পী ড° ভূপেন হাজৰিকা আৰু জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ সমাজ তথা সংগীত জগতলৈ আগবঢ়োৱা অৱদানক উচ্চ প্ৰশংসা কৰিছে। ভূপেন হাজৰিকাৰ সংগীতে মানুহক কাম কৰিবলৈ আৰু সমাজৰ প্ৰতি অৱদান আগবঢ়াবলৈ অনুপ্ৰাণিত কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে জুবিন গাৰ্গৰ গীতে যুৱপ্ৰজন্মক নতুন শক্তি আৰু উৎসাহেৰে ভৰাই তোলে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7279

ৰাজনীতি

ছোনিয়া গান্ধীয়ে নাগৰিকত্ব লাভ কৰিছিল ১৯৮৩ চনত অথচ ১৯৮০ চনৰ ভোটাৰ তালিকাত আছিল নাম :দিল্লী আৰক্ষী



নতুন দিল্লী, ২৮ নৱেম্বৰ: কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী ছোনিয়া গান্ধীয়ে ভাৰতীয় নাগৰিকত্ব লাভ কৰাৰ তিনি বছৰ পূৰ্বেই ১৯৮০ চনৰ ভোটাৰ তালিকাত তেওঁৰ নাম অন্তৰ্...

পঢ়ক: https://newznow.in/news/7388

ৰাজনীতি

বিৰোধী দলসমূহক বিভক্ত কৰি কেন্দ্ৰীয় চৰকাৰে আনিছে সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক: গৌৰৱ গগৈৰ অভিযোগ



নতুন দিল্লী, ২৮ নৱেম্বৰ: বিৰোধী ৰাজনৈতিক দলসমূহক দুৰ্বল কৰাৰ পাছত কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰে পুনৰ সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক অনাৰ প্ৰস্তুতি...

পঢ়ক: https://newznow.in/news/7296

দেশ

সমষ্টি পুনৰ নির্ধাৰণ বিধেয়কক ডিএমকেৰ সমর্থন: ষ্টেলিনক তীব্ৰ কটাক্ষ বিজয়ৰ দল টিভিকেৰ



চেন্নাই: কেন্দ্ৰৰ সংশোধিত Delimitation প্ৰস্তাৱক সমর্থন কৰাৰ সিদ্ধান্তক লৈ তামিলনাড়ুৰ ৰাজনীতিত নতুন বিতর্কৰ সূচনা হৈছে।

পঢ়ক: https://newznow.in/news/7288

ৰাজনীতি

লোকসভাৰ আসন ৮৫০লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ বিপজ্জনক: ৰাহুল গান্ধী



নতুন দিল্লী, ২৮ নৱেম্বৰ: লোকসভাৰ মুঠ আসনৰ সংখ্যা ৫৪৩ৰ পৰা ৮৫০লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱক দেশৰ গণতন্ত্ৰৰ বাবে বিপজ্জনক আখ্যা দিছে কংগ্ৰেছ নেতা তথা লোকসভাৰ...

পঢ়ক: https://newznow.in/news/7392

ভিতৰৰ পাততে

অসম: ডিএনএ পৰীক্ষাত সন্মতি উপাধ্যক্ষ হা...

ৰাজনীতি: সমষ্টি পুনর্নির্ধাৰণ বিধেয়কৰ বিৰু...

অসম: জুবিন ক্ষেত্ৰত অখিল গগৈৰ প্ৰতিবাদ:...

ৰাজনীতি: 'নাৰী শক্তিক দিয়া প্ৰতিশ্ৰুতি পূৰ...

অসম

ডিএনএ পৰীক্ষাত সন্মতি উপাধ্যক্ষ হাবে টেৰণৰ, সন্তান নিজৰ বুলি প্রমাণিত হ'লে সকলো দায়িত্ব লোৱাৰ প্রতিশ্রুতি

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৬



ডংকামোকাম, ২৮ নৱেম্বৰ: অসম বিধানসভাৰ উপাধ্যক্ষ তথা বিজেপি বিধায়ক হাবে টেৰণক কেন্দ্র কৰি চলি থকা বিতর্কই নতুন মোৰ লৈছে। এটি পাঁচ বছৰীয়া শিশুৰ পিতৃত্ব নিৰূপণৰ বাবে ডিএনএ পৰীক্ষা কৰোৱাত দুয়ো পক্ষই সন্মতি প্রকাশ কৰিছে। পৰীক্ষাৰ ফলাফলত শিশুটি নিজৰ সন্তান বুলি প্রমাণিত হ'লে তাৰ সম্পূর্ণ দায়িত্ব গ্রহণ কৰিব বুলি হাবে টেৰণে প্রতিশ্রুতি দিছে।

শনিবাৰে ডংকামোকামৰ কার্বি পৰম্পৰাগত ভৱন 'কার্বি হেমতুন'ত অনুষ্ঠিত এখন গুৰুত্বপূর্ণ বৈঠকৰ অন্তত অভিযোগকাৰী মহিলাগৰাকী আৰু ৰাইজৰ উপস্থিতিত বিধানসভাৰ উপাধ্যক্ষগৰাকীয়ে এই প্রতিশ্রুতি প্রদান কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7275

অসম

জুবিন ক্ষেত্রত অখিল গগৈৰ প্রতিবাদ: মূল অভিযুক্তৰ জামিন নাকচৰ দাবী

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



সোণাপুৰ, ২৮ নৱেম্বৰ: প্রয়াত শিল্পী জুবিন গার্গৰ মৃত্যুৰ ন্যায় বিচাৰি শনিবাৰে সোণাপুৰৰ জুবিন ক্ষেত্রত এক প্রতিবাদী কার্যসূচী ৰূপায়ণ কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7303

ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণ বিধেয়কৰ বিৰুদ্ধে বিৰোধীৰ ৰণকৌশল: খার্গেৰ বাসগৃহত 'ইণ্ডিয়া' মিত্রজোঁটৰ বৈঠক

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০৬



নতুন দিল্লী, ২৮ নৱেম্বৰ: কেন্দ্রীয় চৰকাৰে সংসদত উত্থাপন কৰিবলৈ লোৱা সমষ্টি পুনর্নির্ধাৰণ সম্পর্কীয় সংবিধান সংশোধনী বিধেয়কৰ বিৰুদ্ধে উমৈহতীয়া স্থিতি গ্রহণৰ লক্ষ্যৰে শনিবাৰে এক বৈঠকত মিলিত হয় 'ইণ্ডিয়া' মিত্রজোঁটৰ কেইবাটাও দলৰ নেতৃবৃন্দ। ৰাজ্যসভাৰ বিৰোধী দলপতি তথা কংগ্রেছ সভাপতি মল্লিকার্জুন খার্গেৰ নতুন দিল্লীস্থিত বাসগৃহত অনুষ্ঠিত এই বৈঠকত বিধেয়কখনৰ বিৰুদ্ধে সংসদত কেনে কৌশল অৱলম্বন কৰা হ'ব, সেই সন্দর্ভত বিতং আলোচনা কৰা হয়।

বৈঠকত কংগ্রেছ নেতা ৰাহুল গান্ধী, প্রিয়ংকা গান্ধী বাদ্রা, জয়ৰাম ৰমেশ আৰু কে চি বেণুগোপালৰ লগতে তৃণমূল কংগ্...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7247

ৰাজনীতি

'নাৰী শক্তিক দিয়া প্রতিশ্রুতি পূৰণ কৰিম', মহিলা সংৰক্ষণ কার্যকৰী কৰিবলৈ দৃঢ়প্রতিজ্ঞ চৰকাৰঃ মোদী

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০৪



নতুন দিল্লী, ২৮ নৱেম্বৰ: দেশৰ নাৰী শক্তিক দিয়া প্রতিশ্রুতি পূৰণ কৰিবলৈ কেন্দ্রীয় চৰকাৰ সম্পূর্ণৰূপে দৃঢ়প্রতিজ্ঞ।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7242

ৰাজনীতি

শৰদ পাৱাৰৰ পক্ষত BJP, সমষ্টি পুনর্নির্ধাৰণক লৈ কংগ্রেছৰ আক্রমণৰ প্রত্যুত্তৰ

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০১



মুম্বাই, ২৮ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক কেন্দ্র কৰি বিৰোধী 'ইণ্ডিয়া' মিত্রজোঁটৰ মাজত মতভেদ বৃদ্ধি পোৱাৰ সময়তে এনচিপি (এছপি)ৰ মুৰব্বী শৰদ পাৱাৰৰ পক্ষত থিয় দিছে বিজেপি। বিধেয়কখনক সমর্থন জনোৱাৰ সম্ভাৱনাক লৈ কংগ্রেছে পাৱাৰক আক্রমণ কৰাৰ পাছতে গেৰুৱা দলটোৱে কংগ্রেছৰ বিৰুদ্ধে অকৃতজ্ঞতা আৰু দুমুখীয়া নীতিৰ অভিযোগ উত্থাপন কৰিছে।

সোমবাৰে লোকসভাত উত্থাপন হ'বলগীয়া সমষ্টি পুনর্নির্ধাৰণ বিধেয়কখনৰ সন্দর্ভত এনচিপি (এছপি)য়ে এতিয়ালৈকে কোনো আনুষ্ঠানিক স্থিতি স্পষ্ট কৰা নাই। দলৰ কার্যকৰী সভাপতি সুপ্রিয়া সুলেই বিধেয়কখন বিতংভাৱে অধ্যয়ন কৰাৰ পাছতহে চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি জনাইছে যদিও মহিলা সংৰক্ষণৰ সৈতে বিধেয়কখনক সমর্থন জনোৱাৰ সিদ্ধান্ত দলটোৱে লৈছে বুলি দলীয় সূত্রত প্রকাশ পাইছে।

বিজেপিৰ ৰাজ্যিক মুখপাত্র নৱনাথ বানে কয় যে ১৯৯৯ চনৰ বিধানসভা নির্বাচনৰ পাছত মহাৰাষ্ট্রত চৰকাৰ গঠনৰ বাবে শৰদ পাৱাৰে কংগ্রেছক সহায় কৰিছিল আৰু ২০১৯ চনতো তেওঁৰ উদ্যোগতে কংগ্রেছ পুনৰ শাসনলৈ আহিছিল। তেনেস্থলত এতিয়া কংগ্রেছে পাৱাৰক সমালোচনা কৰাটো তেওঁলোকৰ দ্বৈত চৰিত্রৰ প্রমাণ বুলি তেওঁ মন্তব্য কৰে।

মুখপাত্রগৰাকীয়ে লগতে কয় যে ১৯৯০ৰ দশকৰ আৰম্ভণিতে মহাৰাষ্ট্রৰ মুখ্যমন্ত্রী হিচাপে কার্যনির্বাহ কৰাৰ সময়ত পাৱাৰেই স্থানীয় স্বায়ত্তশাসিত নিকায়সমূহত মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছিল। মহাৰাষ্ট্রৰ ৰাজহ মন্ত্রী চন্দ্রশেখৰ বাৱনকুলেই এনচিপি (এছপি)ৰ বিৰুদ্ধে কংগ্রেছৰ এই আক্রমণক হতাশা আৰু দুর্বলতাৰ বহিঃপ্রকাশ বুলি কটাক্ষ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7236

আন্তঃৰাষ্ট্রীয়

আফগানিস্তানৰ বিদ্যালয়ত বিস্ফোৰণ, ৭ শিক্ষার্থীৰ মৃত্যু; আহত ৯৯জন

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০৩



কাবুল, ২৮ নৱেম্বৰ: আফগানিস্তানৰ পূব প্রান্তৰ কুনাৰ প্রদেশৰ এখন বিদ্যালয়ত সংঘটিত এক ভয়ংকৰ বিস্ফোৰণত কমেও ৭ গৰাকী শিক্ষার্থীৰ মৃত্যু হৈছে। শনিবাৰে সংঘটিত এই শোকাৱহ ঘটনাত প্রায় ৯৯ জন লোক আহত হয়।

প্রাপ্ত তথ্য অনুসৰি, কুনাৰ প্রদেশৰ আণ্ডাৰছিৰ অঞ্চলৰ এখন বিদ্যালয়ত এই বিস্ফোৰণটো ঘটে। কুনাৰ প্রাদেশিক আৰক্ষী মুখ্য কার্যালয়ৰ মুখপাত্র ফৰিদ দেহকানে জনোৱা মতে, শনিবাৰে পুৱা প্রায় ১০ বজাত আণ্ডাৰ ছেৰ অঞ্চলৰ বিদ্যালয়খনত বিস্ফোৰণটো সংঘটিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7237

অসম

ভাৰতত অবৈধভাৱে প্রৱেশ: নাইজেৰিয়াৰ নাগৰিকক এবছৰৰ কাৰাদণ্ড কাছাৰ আদালতৰ

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৪



গুৱাহাটী, ২৮ নৱেম্বৰ: বৈধ ভ্রমণ নথি-পত্র অবিহনে ভাৰতত প্রৱেশ কৰাৰ অপৰাধত নাইজেৰিয়াৰ এগৰাকী ৪৪ বছৰীয়া নাগৰিকক কাছাৰ জিলাৰ এখন আদালতে এবছৰৰ কাৰাদণ্ড বিহিছে। কাৰাদণ্ডৰ লগতে আদালতে অভিযুক্তক ১০ হাজাৰ টকাৰ জৰিমনাও বিহে। এই জৰিমনা আদায় নিদিলে তেওঁ অতিৰিক্ত এমাহৰ কাৰাদণ্ড ভোগ কৰিব লাগিব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7211

উত্তৰ-পূৰ্বাঞ্চল

ম্যানমাৰত বাহৰ পতা সশস্ত্ৰ সংগঠনৰ মণিপুৰৰ সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগ, নতুন তদন্ত NIAৰ

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৪



ইম্ফল, ২৮ নৱেম্বৰ: মণিপুৰত সংঘটিত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে ম্যানমাৰত বাহৰ পতা সশস্ত্ৰ সংগঠনৰ সম্ভাৱ্য সম্পৰ্ক সন্দৰ্ভত নতুনকৈ তদন্ত আৰম্ভ কৰিছে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এনআইএয়ে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশৰ পাছতে সংস্থাটোৱে এই তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰে।

ৰাজ্যখনত সংঘটিত সন্ত্ৰাসবাদী ঘটনাৰ আঁৰত থকা এক বৃহৎ ষড়যন্ত্ৰ, গোপন বিত্তীয় লেনদেন আৰু অস্ত্ৰ-শস্ত্ৰ সৰবৰাহৰ আন্তঃৰাষ্ট্ৰীয় নেটৱৰ্ক পোহৰলৈ অনাৰ উদ্দেশ্যে এই তদন্ত চলোৱা হৈছে।

এনআইএয়ে ৰুজু কৰা এজাহাৰ অনুসৰি, ম্যানমাৰত সক্ৰিয় কেইবাটাও জনগোষ্ঠীয় সশস্ত্ৰ সংগঠনৰ সৈতে নিষিদ্ধ ঘোষিত পিএলএ, প্ৰিপাক আৰু প্ৰিপাক-প্ৰ...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7223

অসম

২৯ বছৰৰ মূৰত সঞ্জয় ঘোষ হত্যাকাণ্ডৰ গোচৰত ৰায়, আলফা নেতা ফটিক হাতীমতাক যাৱজ্জীৱন কাৰাদণ্ড

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৫



প্ৰায় ২৯ বছৰৰ মূৰত ন্যায় লাভৰ দিশত এক গুৰুত্বপূৰ্ণ অগ্ৰগতি ঘটিল মাজুলীৰ সমাজকৰ্মী সঞ্জয় ঘোষ হত্যাকাণ্ডৰ গোচৰত।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7163

অসম

জৈছ-ই-মহম্মদৰে জড়িত গুজৰাটত শ্ৰীভূমিৰ যুৱকক গ্ৰেপ্তাৰ এ কে ৪৭, গুলী, ম'বাইল, ছিম জব্দ ৰাতাবাৰীৰ ঘৰত পিতৃক আটক

আজহাৰ উদ্দিন | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৫



স্কোৱাডৰ (এ টি এছ) অভিযানৰ সময়ত মাৰণাস্ত্ৰসহ সন্ত্ৰাসবাদী সংগঠন জৈছ-এই-মহম্মদৰে জড়িত এজন যুৱক গ্ৰেপ্তাৰ হয়। সন্দেহযুক্ত সন্ত্ৰাসবাদীটোৱে ভাৰতীয় বায়ু সেনাৰ ঘাটিত আক্ৰমণৰ ষড়যন্ত্ৰ কৰিছিল বুলি জানিব পৰা গৈছে। কাৰিকৰী তথ্য আৰু চোৰাংচোৰাৰ তথ্যৰ ভিত্তিত বৃহস্পতিবাৰে নিশা মহম্মদ চাহাৰুল ইছলাম কবিৰুদ্দিন নামৰ সন্দেহযুক্ত সন্ত্ৰাসবাদীটোক এ টি - এছে গ্ৰেপ্তাৰ কৰে। সন্ত্ৰাসবাদীটো অসমৰ শ্ৰীভূমিৰ বাসিন্দা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7179

ৰাজনীতি

"মোদীয়ে চীনৰ দৰে ব্যৱস্থা গঢ়িব বিচাৰিছে, শেষ কৰিব গণতন্ত্ৰ", সমষ্টি পুনৰ্নিৰ্ধাৰণ বিধেয়ককক লৈ সৰৱ মল্লিকাৰ্জুন খৰ্গে

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৯



নতুন দিল্লী, ২৮ নৱেম্বৰ: প্ৰস্তাৱিত সমষ্টি পুনৰ্নিৰ্ধাৰণ বিধেয়ককক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খৰ্গে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7203

ব্যৱসায়-বাণিজ্য

আকৌ বিপদত বিছলেৰী! জলপাইগুড়িৰ প্ৰকল্পৰ পানীত কলিফৰ্ম বেক্টেৰিয়া, বিছলেৰীৰ বিৰুদ্ধে FSSAIৰ গোচৰ তৰাৰ নিৰ্দেশ

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৫



পশ্চিমবংগৰ জলপাইগুড়ি জিলাৰ তেলীপাৰা গাঁৱত থকা বিছলেৰী ইন্টাৰনেচনেলৰ প্ৰকল্পৰ পৰা সংগ্ৰহ কৰা পানীৰ নমুনাত কলিফৰ্ম বেক্টেৰিয়া ধৰা পৰিছে। এই ঘটনাৰ পিছতে প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰী পক্ষক গোচৰ তৰাৰ যাৱতীয় অনুমোদন জনাইছে খাদ্য সুৰক্ষা আৰু মান নিৰ্ণায়ক কৰ্তৃপক্ষ চমুকৈ এফএছএছএআইয়ে। প্ৰাথমিক পৰীক্ষাগাৰৰ লগতে ৰেফাৰেল ফুড লেবৰেটৰীয়েও সংগৃহীত পানীত এই বেক্টেৰিয়াৰ উপস্থিতি নিশ্চিত কৰিছে।

উক্ত পানীৰ নমুনাটো পিবি ২০১ নম্বৰৰ এটা বেটচৰ আছিল। পৰীক্ষাত আসোঁৱাহ ওলোৱাৰ পিছতে এই বিশেষ বেটচটোৰ বিক্ৰী নিষিদ্ধ কৰা হৈছিল।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7149

আন্তঃৰাষ্ট্ৰীয়

সংখ্যাগৰিষ্ঠতা হেৰুৱালে প্ৰধানমন্ত্ৰীৰ মিত্ৰজোঁটে! সলনি হ'ব নিউজিলেণ্ডৰ চৰকাৰ ?

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, নিশা ৭:৫৪



ৱেলিংটন, ২৮ নৱেম্বৰ: নিউজিলেণ্ডৰ সাধাৰণ নিৰ্বাচনৰ চূড়ান্ত ফলাফলত সংখ্যাগৰিষ্ঠতা হেৰুৱাইছে প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ নেতৃত্বাধীন শাসকীয় মিত্ৰজোঁটে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7380

দেশ

৫,৬৭৫ কোটিৰ প্ৰকল্প কাগজে-কলমে ৫৬.৭৫ কোটি: Adani Green-ৰ শপতনামাত ২২৫ কোটি কমিল বাঘ সংৰক্ষণৰ পুঁজি

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১১



৫,৬৭৫ কোটি টকাৰ এটা বিশাল জলবিদ্যুৎ প্ৰকল্পৰ খৰচ এখন মাত্ৰ শপতনামাতেই কাগজে-কলমে ৯৯ শতাংশ কমি মাত্ৰ ৫৬.৭৫ কোটি টকা কেনেকৈ হ'ব পাৰে?

দশমিকৰ এই অদ্ভুত অংকটোৱেই এতিয়া জোকাৰি তুলিছে মহাৰাষ্ট্ৰৰ বন বিভাগ আৰু কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰ্যালয়ক। দ্য ইণ্ডিয়ান এক্সপ্ৰেছ আৰু দ্য ৱায়াৰ-ৰ অনুসন্ধানত পোহৰলৈ অহা এই ঘটনাৰ কেন্দ্ৰবিন্দু হৈছে মহাৰাষ্ট্ৰৰ ছাটাৰা জিলাৰ পাটন তালুকাত নিৰ্মাণ হ'বলগীয়া আদানি গ্ৰীণ এনাৰ্জী লিমিটেড (Adani Green Energy Ltd)-ৰ ১,৫০০ মেগাৱাট তাৰালি পাম্পড ষ্ট'ৰেজ প্ৰকল্প (Tarali PSP)।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7151

অনুসন্ধান

AI-ত গোপন তথ্য দিছে নেকি? 'ডেটা নাথাকে' বুলি প্ৰতিশ্ৰুতি দি ধৰা পৰিল চীনা AI MiniMax - ওলাল ব্যক্তিগত লিংক

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৮



আজিকালি চফটৱেৰ ডেভেলপাৰ, সাংবাদিক, অধিবক্তা বা ব্যৱসায়ীয়ে নিজৰ গুৰুত্বপূৰ্ণ কামত এআই (AI) ব্যৱহাৰ কৰাটো তেনেই সাধাৰণ কথা।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7140

অনুসন্ধান

জীৱন বচোৱা ষ্টেণ্ট-পেচমেকাৰেই মাতিছে অজান বিপদ? ১২ হাজাৰ অঘটন গাপ দিলে কোম্পানীয়ে, চকু মুদি থাকিল আমেৰিকা

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, নিশা ১১:১৯




গুৱাহাটী, মুম্বাই বা বেংগালুৰুৰ কোনো ডাঙৰ চিকিৎসালয়ত যেতিয়া হৃদযন্ত্ৰত ষ্টেণ্ট লগোৱা, পেচমেকাৰ বহুওৱা বা আঁঠু সলনি কৰা অস্ত্ৰোপচাৰৰ কথা ওলায়, তেতিয়া ৰোগীৰ পৰিয়ালে সাধাৰণতে এটা কথা শুনিলেই স্বস্তিৰ নিশ্বাস পেলায় - "কোনো চিন্তা নকৰিব, এই সঁজুলি আমেৰিকাৰ এফডিএ (FDA) অনুমোদিত।" সেই এটা মোহৰৰ ওপৰত ভৰসা কৰিয়েই বহু পৰিয়ালে সৰ্বস্ব খৰচ কৰি হ'লেও বিদেশী ইমপ্লাণ্ট বাছি লয়। কিন্তু সেই নিৰাপত্তাৰ ভৰসাত এতিয়া গভীৰ ফাট মেলিছে। যোৱা ২০ নৱেম্বৰত ইণ্টাৰনেশ্যনেল কনছ'র্টিয়াম অৱ ইনভেষ্টিগেটিভ জার্নেলিষ্টছ (ICIJ)-এ প্ৰকাশ কৰা...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7060

আন্তঃৰাষ্ট্ৰীয়

ইজিপ্তৰ ৰাজপথত তেলবাহী টেংকাৰ দুৰ্ঘটনাত ভয়ংকৰ অগ্নিকাণ্ড: নিহত ৩১, আহত ২১ জন

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, নিশা ৭:৫১



কাইৰো, ২৮ নৱেম্বৰ: ইজিপ্তৰ ৰাজধানী কাইৰোৰ উপকণ্ঠৰ এখন ব্যস্ত ৰাজপথত তেল পৰিবাহী টেংকাৰ বাগৰি পৰাৰ পিছতে সংঘটিত এক ভয়ংকৰ অগ্নিকাণ্ডত কমেও ৩১ জন লোকৰ মৃত্যু হৈছে। এই ভয়াৱহ দুৰ্ঘটনাত আন ২১ জন লোক আহত হয়।

বুধবাৰে কাইৰোৰ চাৰিওফালে থকা ৰিং ৰোডত এই দুৰ্ঘটনা সংঘটিত হয়। ইজিপ্তৰ কৰ্তৃপক্ষই জনোৱা অনুসৰি, তেল পৰিবাহী ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰাৰ লগে লগে জুইৰ সূত্ৰপাত ঘটে। গিজা অঞ্চলৰ ৱাৰাক নামৰ জনবসতিপূৰ্ণ এলেকাটোত জুই দ্ৰুতগতিত বিয়পি পৰে আৰু ৰাজপথত থকা অন্যান্য বাহনসমূহকো আৱৰি ধৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7373

আন্তঃৰাষ্ট্ৰীয়

ম্যানমাৰত বিয়াৰ অনুষ্ঠানত সামৰিক বাহিনীৰ বিমান আক্ৰমণ, নিহতৰ সংখ্যা ১৭জনলৈ বৃদ্ধি পোৱাৰ আশংকা

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, নিশা ৭:৫০



নেপিড', ২৮ নৱেম্বৰ: ম্যানমাৰত এটি বিবাহ অনুষ্ঠানৰ প্ৰস্তুতি চলি থকাৰ সময়তে দেশখনৰ সামৰিক বাহিনীয়ে চলোৱা বিমান আক্ৰমণত কেইবাজনো লোক নিহত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7371

উত্তৰ-পূৰ্বাঞ্চল

ধৰ্ষণৰ অভিযোগ! BJP বিধায়ক ছানবৰ শ্বুল্লাইৰ অগ্ৰীম জামিন আবেদনৰ ৰায় ৩০ নৱেম্বৰত

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, নিশা ৭:৪৬



শিলং, ২৮ নৱেম্বৰ: মেঘালয়ৰ উত্তৰ শিলং সমষ্টিৰ BJP বিধায়ক ছানবৰ শ্বুল্লাইৰ আগতীয়া জামিন আবেদনৰ ৰায়দানৰ বাবে ৩০ নৱেম্বৰৰ দিনটো ধাৰ্য কৰিছে শিলঙৰ সত্ৰ আদালতে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7318

দেশ

নয়ডাত চাইবাৰ প্ৰৱঞ্চনা চক্ৰৰ কবলৰ পৰা ২৩৬ বিদেশী নাগৰিকক উদ্ধাৰ আৰক্ষীৰ

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৩২



নতুন দিল্লী, ২৮ নৱেম্বৰ: চাকৰিৰ প্ৰলোভনেৰে ভাৰতলৈ আনি চাইবাৰ প্ৰৱঞ্চনাৰ কামত লগোৱা এটা চক্ৰৰ কবলৰ পৰা ২৩৬গৰাকী বিদেশী নাগৰিকক উদ্ধাৰ কৰিছে আৰক্ষীয়ে। উত্তৰ প্ৰদেশৰ নয়ডাৰ পৰা উদ্ধাৰ কৰা এই লোকসকলৰ ভিতৰত ১৬৪গৰাকী ইণ্ডোনেছিয়া আৰু ৭২গৰাকী মালয়েছিয়াৰ নাগৰিক। এই ঘটনাই মানৱ সৰবৰাহ আৰু আন্তঃৰাষ্ট্ৰীয় চাইবাৰ অপৰাধৰ এক ভয়ংকৰ জাল পোহৰলৈ আনিছে।আৰক্ষীয়ে জনোৱা মতে, তথ্য প্ৰযুক্তি খণ্ডত উচ্চ দৰমহাৰ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে লোকসকলক ভাৰতলৈ অনা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7329

দেশ

সোণম ৰঘুবংশীৰ বিৰুদ্ধে Arms Actৰ গোচৰ পুনৰ চলোৱাৰ দাবী মেঘালয় চৰকাৰৰ, উচ্চ ন্যায়ালয়ৰ জাননী

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:২৮



ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ গোচৰত সোণম ৰঘুবংশী আৰু আন দুজন অভিযুক্তক অস্ত্ৰ আইনৰ অভিযোগৰ পৰা অব্যাহতি দিয়া নিম্ন আদালতৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই মেঘালয় উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে ৰাজ্য চৰকাৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7313

মনোৰঞ্জন

বিশ্বৰ প্ৰথমগৰাকী ক্ৰিয়েটৰ হিচাপে ১০ লাখ পেইড ছাবস্ক্ৰাইবাৰ লাভ ভাৰতীয় কমেডিয়ান সময় ৰাইনাৰ

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৩১



নতুন দিল্লী, ২৮ নৱেম্বৰ: ইউটিউবত এক নতুন বিশ্ব অভিলেখ গঢ়িছে ভাৰতীয় কমেডিয়ান সময় ৰাইনাই। বিশ্বৰ প্ৰথমগৰাকী ক্ৰিয়েটৰ হিচাপে তেওঁৰ ইউটিউব চেনেলত মাহেকীয়া মাচুল পৰিশোধ কৰি সদস্য হোৱা অৰ্থাৎ পেইড চেনেল মেম্বাৰৰ সংখ্যা ১০ লাখ অতিক্ৰম কৰিছে। এক বিবৃতিত এই নতুন অভিলেখৰ কথা নিশ্চিত কৰা হৈছে।

এই নতুন অভিলেখ বিনামূলীয়া ছাবস্ক্ৰাইবাৰৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি হোৱা নাই। ৰাইনাৰ ইউটিউব চেনেলত সম্প্ৰতি মুঠ ১ কোটি ২৪ লাখতকৈ অধিক ছাবস্ক্ৰাইবাৰ আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7325

দেশ

ৰেগিঙৰ অভিযোগত ৩৮ MBBS শিক্ষার্থীক ৩ মাহৰ বাবে নিলম্বন, প্ৰতিগৰাকীৰ ওপৰত ২৫ হাজাৰ টকাকৈ জৰিমনা

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৫:২৬



লক্ষ্ণৌ, ২৮ নৱেম্বৰ: কনিষ্ঠ শিক্ষার্থীক ৰেগিং কৰাৰ অভিযোগত লক্ষ্ণৌৰ কিং জৰ্জ মেডিকেল ইউনিভাৰ্ছিটী (কেজিএমইউ) কৰ্তৃপক্ষই ৩৮গৰাকী এমবিবিএছ শিক্ষার্থীক তিনি মাহৰ বাবে নিলম্বন কৰিছে। নিলম্বিত প্ৰতিগৰাকী শিক্ষার্থীৰ ওপৰত ২৫ হাজাৰ টকাকৈ জৰিমনা বিহাৰ লগতে এবছৰৰ বাবে তেওঁলোকৰ বৃত্তিও বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7284

ৰাজনীতি

ভাৰতত এজন সাংসদৰ দৰমহা কিমান? মাহিলি দৰমহাৰ লগতে কি কি সুবিধা লাভ কৰে MP-এ?

শ্বাহ আলম | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৫:০৩



মাহে ১.২৪ লাখ টকাৰ মূল দৰমহা! সমষ্টি ভাট্টা ৮৭ হাজাৰ, কার্যালয় পৰিচালনাৰ বাবে ৭৫ হাজাৰ টকা। ইয়াৰ উপৰি আছে বিনামূলীয়া বাসস্থান, চিকিৎসা, ৰে'ল আৰু বিমান যাত্ৰাৰ সুবিধা।

ভাৰতৰ সংসদত জনসাধাৰণক প্ৰতিনিধিত্ব কৰা এজন সাংসদ (Member of Parliament বা MP) কেৱল মাহিলি দৰমহাই লাভ নকৰে। সংসদীয় কাম-কাজ, সমষ্টিৰ উন্নয়নমূলক কাম আৰু কার্যালয় পৰিচালনাৰ বাবে তেওঁলোকে বিভিন্ন ভাট্টা আৰু বিশেষ সুবিধাও লাভ কৰে।

২০২৫ চনৰ মার্চ মাহত প্ৰকাশিত চৰকাৰী তথ্য অনুসৰি, এজন সাংসদৰ মাহিলি মূল দৰমহা ১ লাখ টকাৰ পৰা বৃদ্ধি কৰি ১ লাখ ২৪ হাজাৰ টকা কৰা হৈছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7283

ৰাজনীতি

পাক অধিকৃত কাশ্মীৰত সমষ্টি পুনর্নির্ধাৰণৰ প্ৰস্তাৱ, দখলমুক্ত হ'লেহে কার্যকৰী হ'ব নতুন ব্যৱস্থা

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৪:১০



নতুন দিল্লী, ২৮ নৱেম্বৰ: পাকিস্তানৰ দখলত থকা জম্মু-কাশ্মীৰৰ ভূখণ্ড দখলমুক্ত হ'লে তাত সমষ্টি পুনর্নির্ধাৰণ কৰাৰ ব্যৱস্থা অন্তর্ভুক্ত কৰিছে কেন্দ্ৰীয় চৰকাৰে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7255

ৰাজনীতি

কলকাতাত তৃণমূল কংগ্ৰেছৰ নির্মাণৰত মুখ্য কার্যালয় ছীল আৰক্ষীৰ

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪০



কলকাতা, ২৮ নৱেম্বৰ: কলকাতাৰ টপছিয়া অঞ্চলত থকা তৃণমূল কংগ্ৰেছৰ নির্মাণৰত মুখ্য কার্যালয়টো ছীল কৰিছে কলকাতা আৰক্ষীয়ে। পৌৰ নিগমৰ প্ৰয়োজনীয় অনুমতিপত্ৰ নথকাৰ অভিযোগ তুলি শুকুৰবাৰে সন্ধিয়া আৰক্ষীয়ে এই পদক্ষেপ গ্ৰহণ কৰে। এই ঘটনাক কেন্দ্ৰ কৰি ইতিমধ্যে তৃণমূল কংগ্ৰেছ আৰু বিজেপিৰ মাজত তীব্ৰ ৰাজনৈতিক বাকযুদ্ধ আৰম্ভ হৈছে।

আৰক্ষীয়ে কার্যালয় ভৱনটোৰ প্ৰৱেশদ্বাৰত বেৰিকেড স্থাপন কৰি সকলোধৰণৰ ৰাজনৈতিক সভা-সমিতি তথা দলীয় কার্যসূচী অনুষ্ঠিত কৰাত বাধা আৰোপ কৰিছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7207

দেশ

তিৰুপৰনকুন্দ্ৰমত কার্তিগাই দীপম প্ৰজ্বলনৰ নির্দেশ সর্বোচ্চ ন্যায়ালয়ৰ, পাহাৰৰ সুৰক্ষাত চিআৰপিএফ মোতায়েন

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫২




মাদুৰাই: তামিলনাড়ুৰ মাদুৰাইস্থিত ঐতিহাসিক তিৰুপৰনকুন্দ্ৰম পাহাৰৰ দীপথুন শিলাস্তম্ভত পৰম্পৰাগত কার্তিগাই দীপম প্ৰজ্বলনৰ অনুমতি প্ৰদান কৰিছে সর্বোচ্চ ন্যায়ালয়ে। পাহাৰখনৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চমুকৈ চিআৰপিএফক সমগ্ৰ অঞ্চলটোৰ দায়িত্ব অর্পণ কৰা হৈছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7191

উত্তৰ-পূৰ্বাঞ্চল

শিলঙত কিশোৰৰ মৃত্যুৰ গোচৰত টিউচন শিক্ষকৰ বিৰুদ্ধে দাখিল চার্জশ্বীট

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫০



শিলং, গুৱাহাটী: শিলঙত ১৬ বছৰীয়া কিশোৰ একাংশ জিন্দালৰ ড্ৰাগছ সেৱনজনিত অস্বাভাৱিক মৃত্যুৰ ঘটনাত দাখিল কৰা চার্জশ্বীটত এজন টিউচন শিক্ষকৰ নাম অন্তর্ভুক্ত কৰা হৈছে। শিলঙৰ জিলা আৰু সত্র আদালতত দাখিল কৰা এই চার্জশ্বীটত ছানী সিনহা, ৰাল্ফ নংগ্রুম আৰু ৰীতা খাৰশ্বীঙৰ নাম অভিযুক্ত হিচাপে সন্নিৱিষ্ট কৰা হৈছে।

অভিযোগ অনুসৰি, শিক্ষক ছানী সিনহাই প্রথমে একাংশ আৰু তেওঁৰ বন্ধুবর্গক ভাঙৰ সৈতে চিনাকি কৰাই দিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7188

দেশ

কাগজে-কলমে ৯৯% উধাও ৫,৬৭৫ কোটির প্রকল্প ব্যয়: Adani Green-এর এক হলফনামায় কী ভাবে ২২৫ কোটি টাকা হারাল?

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৯



একটি মাত্র নোটারাইজড হলফনামায় ৫,৬৭৫ কোটি টাকার বিশাল জলবিদ্যুৎ প্রকল্পের ব্যয় কী ভাবে কাগজে-কলমে ৯৯ শতাংশ কমে মাত্র ৫৬.৭৫ কোটি টাকা হয়ে যেতে পারে? দশমিকের এই অদ্ভুত অঙ্ক ঘিরেই এখন তোলপাড় শুরু হয়েছে মহারাষ্ট্রের বন দফতর থেকে নয়াদিল্লির পরিবেশ মন্ত্রক পর্যন্ত। দ্য ইন্ডিয়ান এক্সপ্রেস এবং দ্য ওয়্যার-এর প্রতিবেদনে উঠে আসা এই বিতর্কের কেন্দ্রে রয়েছে সাতারা জেলার পাটন তালুকায় আদানি গ্রিন এনার্জি লিমিটেড (Adani Green Energy Ltd)-এর ১,৫০০ মেগাওয়াট তারালি পাম্পড স্টোরেজ প্রকল্প (Tarali PSP)।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7157

অনুসন্ধান

ফ্লেট-প্লট কিনিছে নেকি? ৪৮ ঘণ্টাত ED-ৰ ১,২৪৮ কোটি জব্দ: Ozone Urbana-Vatika-ৰ নক্সা সলনিৰ কৌশল ফাদিল

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৬



দেশৰ অগণন মধ্যবিত্ত পৰিয়ালৰ বাবে নিজাকৈ এটা ফ্লেট বা এটুকুৰা মাটি কিনা মানে জীৱনজোৰা সঞ্চয় আৰু ২০ বছৰীয়া বেংক ঋণৰ বোজা।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7171

অসম

নাবালিকাক অপহৰণ আৰু ধর্ষণৰ গোচৰত যুৱকক ১০ বছৰৰ কাৰাদণ্ড কাছাৰ আদালতৰ

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, পুৱা ১১:৫০



শিলচৰ: এগৰাকী নাবালিকাক অপহৰণ কৰি ধর্ষণ কৰাৰ গোচৰত কার্তিক দাস ওৰফে পঙ্কু নামৰ এজন যুৱকক ১০ বছৰৰ কাৰাদণ্ড বিহিছে কাছাৰৰ বিশেষ আদালতে। শুকুৰবাৰে বিশেষ ন্যায়াধীশ বিপ্রজিত ৰায়ৰ আদালতে এই ৰায় ঘোষণা কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7136

দেশ

বৰোদৰাত গ্ৰেপ্তাৰ জেহাদী ছাহাৰুল : শ্ৰীভূমিৰ পূব টঙ্গিবাৰীৰ বাসগৃহত গুজৰাট এটিএছৰ অভিযান

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৭



শ্ৰীভূমি, ২৮ নৱেম্বৰ: গুজৰাটৰ বৰোদৰাস্থিত ভাৰতীয় বায়ুসেনাৰ ঘাটিত আক্ৰমণৰ পৰিকল্পনা কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা অসমৰ যুৱক ছাহাৰুল ইছলামৰ বাসগৃহত অভিযান চলাইছে গুজৰাটৰ সন্ত্ৰাসবাদ বিৰোধী শাখা চমুকৈ এটিএছে। শ্ৰীভূমি জিলাৰ পূব টঙ্গিবাৰী অঞ্চলত থকা ছাহাৰুলৰ দুটা ঘৰত এই তালাচী চলোৱা হয়। গুজৰাট এটিএছৰ চাৰিগৰাকী বিষয়াৰ উপস্থিতিত স্থানীয় আৰক্ষীৰ সহযোগত এই অভিযান চলোৱা হয়। তালাচীৰ সময়ত তদন্তকাৰী দলটোৱে কেইবাখনো নথি-পত্ৰৰ লগতে এটা বেগ জব্দ কৰে।

তদন্তকাৰী সংস্থাৰ মতে, পাকিস্তানভিত্তিক সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদৰ সৈতে ছাহাৰুলৰ যোগাযোগ আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7152

অসম

গুৱাহাটী মাৰাথনক লৈ সৰুসজাইত ব্যাপক প্ৰস্তুতি, ২৯ নৱেম্বৰত আৰম্ভ হ'ব দৌৰ

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০৮




গুৱাহাটী, ২৭ নৱেম্বৰ: দেওবাৰ, ২৯ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া গুৱাহাটী মাৰাথনক লৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত প্ৰস্তুতি তুংগত উঠিছে। এই প্ৰতিযোগিতাৰ আৰম্ভণি স্থান হিচাপে নিৰ্ধাৰণ কৰা হৈছে সৰুসজাইক।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7266

অসম

ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি কাইলৈ দিল্লীত, এবছৰজোৰা আয়োজনত কি কি কৰিলে চৰকাৰে?

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, পুৱা ৯:৩১



ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা ৰাষ্ট্ৰীয় ৰাজধানীলৈ। গীত, সংগীত, সাংস্কৃতিক অনুষ্ঠান, স্মাৰক মুদ্ৰা, সংগ্ৰহালয় আৰু নতুন প্ৰতিষ্ঠান গঢ়াৰ পৰিকল্পনাৰে এটা বছৰ ধৰি চলিল ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ আয়োজন। দেওবাৰে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব সামৰণি অনুষ্ঠান। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত প্ৰবীণ সংগীতশিল্পী ঊষা মংগেশকাৰক প্ৰদান কৰা হ'ব প্ৰথমটো ড০ ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় বঁটা। কিন্তু এই আয়োজনৰ প্ৰকৃত সফলতা কেৱল এটা বৃহৎ অনুষ্ঠানতে সীমাবদ্ধ থাকিব নেকি?

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7070

অসম

গুৱাহাটীত যান-বাহন আৰক্ষীৰ কঠোৰ ব্যৱস্থাৰ পাছতো একাংশ দুচকীয়া বাহন আৰোহীয়ে নিপিন্ধে হেলমেট

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৫



গুৱাহাটী, ১৫ মাৰ্চ: গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত হেলমেট সম্পৰ্কীয় নিয়মসমূহ কঠোৰভাৱে প্ৰয়োগ কৰাৰ লগতে জৰিমনা বিহাৰ পাছতো হেলমেটবিহীন যাত্ৰাই পথ সুৰক্ষাক লৈ উদ্বেগৰ সৃষ্টি কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7176

অসম

গুৱাহাটী কমার্চ কলেজ পৰিদর্শন বিধায়ক দিপ্লুৰঞ্জন শর্মাৰ, সমস্যা সমাধানৰ আশ্বাস

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৫



নতুন গুৱাহাটী সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শর্মাই ২৭ নৱেম্বৰত গুৱাহাটী কমার্চ কলেজ পৰিদর্শন কৰে। মহাবিদ্যালয়খনত উপস্থিত হৈ তেওঁ অধ্যক্ষ, শিক্ষক গোট, কর্মচাৰী, ছাত্র একতা সভাৰ প্রতিনিধি আৰু ছাত্র-ছাত্রীসকলৰ সৈতে প্রতিষ্ঠানখনৰ দীর্ঘদিনীয়া সমস্যাসমূহ সন্দর্ভত এক বৈঠকত মিলিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বিপুল দাসে বিধায়কগৰাকীক উষ্ম আদৰণি আৰু সম্বর্ধনা জনায়।

আলোচনাত দীর্ঘদিন ধৰি জলমগ্ন হৈ থকা ড° বিৰিঞ্চি কুমাৰ বৰুৱা গ্রন্থাগাৰ পুনৰ নির্মাণ, খেলপথাৰৰ উন্নয়ন, উদ্যোগীক প্রশিক্ষণৰ জৰিয়তে শিক্ষার্থীৰ উদ্যমিতা বিকাশ, ছাত্রাবাসৰ পুনৰ নির্মাণ, প্রেক্ষাগৃহৰ আন্তঃগাঁথনি উন্নয়ন আৰু শ্রেণীকোঠাৰ সম্প্রসাৰণৰ দৰে বিষয়সমূহে স্থান পায়। বিধায়কগৰাকীয়ে পানী জমা হৈ থকা পুতৌজনক অৱস্থাত পৰিণত হোৱা গ্রন্থাগাৰটো নিজে প্রত্যক্ষ কৰি উদ্বেগ প্রকাশ কৰে। লগতে নতুনকৈ নির্মাণ হৈ থকা ছাত্রী নিবাসো পৰিদর্শন কৰি কামৰ অগ্রগতিৰ বুজ লয়।

শিক্ষার্থীসকলক সম্বোধন কৰি বিধায়কগৰাকীয়ে কয় যে ভাৰত আজি বিশ্বৰ চতুর্থ বৃহত্তম অর্থনীতি হিচাপে আত্মপ্রকাশ কৰিছে আৰু উন্নত ভাৰতৰ লক্ষ্যত মেধা পলায়ণ হ্রাস পাইছে। তেওঁ যুৱপ্রজন্মক ৰাষ্ট্র নির্মাণত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। মহাবিদ্যালয়খনৰ সকলো সমস্যাৰ বিষয়ে মুখ্যমন্ত্রীক অৱগত কৰি সোনকালে পদক্ষেপ গ্রহণৰ আশ্বাস দিয়ে বিধায়কগৰাকীয়ে।

অনুষ্ঠানত প্রাক্তন পৰিচালনা সমিতিৰ সভাপতি ৰঞ্জন বৰা, সঞ্চালক গুণমণি গগৈ, গ্রন্থাগাৰিক ড° উৎপল শর্মা আৰু বিজেপি গুৱাহাটী মহানগৰৰ সাধাৰণ সম্পাদক চিন্ময় শর্মা উপস্থ...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7196

অসম

বিহালী অভয়াৰণ্যত পুনৰ অৰুণাচলী দুর্বৃত্তৰ গুলীচালনা।

মিন্টু বৰা | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৮



বিহালী সংৰক্ষিত বনাঞ্চলত অসমৰ বনকর্মীৰ নিৰাপত্তাক লৈ পুনৰ উদ্বেগৰ সৃষ্টি হৈছে। মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই বনাঞ্চলখন পৰিদর্শন কৰাৰ পাছতেই ৰাধাচু বন শিবিৰৰ কর্মীক লক্ষ্য কৰি গুলীচালনা কৰাৰ অভিযোগ উঠিছে। প্রাপ্ত তথ্য অনুসৰি, যোৱা নিশা প্রায় ৭.৪০ বজাত অৰুণাচলৰ পৰা অহা বুলি সন্দেহ কৰা দুর্বৃত্তই বনকর্মীলৈ লক্ষ্য কৰি চাৰিজাই গুলীচালনা কৰে। গুলীসমূহ AK-47 ৰ পৰা নিক্ষেপ কৰা বুলি সন্দেহ কৰা হৈছে যদিও এই তথ্যৰ আনুষ্ঠানিক নিশ্চিতকৰণ হোৱা নাই।

উল্লেখযোগ্য যে বিহালীত এয়াই প্রথম গুলীচালনাৰ ঘটনা নহয়। ইয়াৰ পূর্বে ৭ জুলাইত বনকর্মীয়ে অবৈধ গছ কটা ব...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7246

অসম

গুৱাহাটীত পিষ্টলৰ আর্হিৰ এয়াৰ গান দেখুৱাই দোকানত ডকাইতি, গ্রেপ্তাৰ জিমৰ ব্যক্তিগত প্রশিক্ষক

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৯



গুৱাহাটী, ২৮ নৱেম্বৰ: মহানগৰীৰ বৰা ছার্ভিচ অঞ্চলৰ সমীপত পিষ্টলৰ আর্হিৰ এয়াৰ গান দেখুৱাই এখন ডিপার্টমেণ্টেল ষ্ট'ৰত ডকাইতি কৰাৰ অভিযোগত এজন লোকক গ্রেপ্তাৰ কৰিছে গুৱাহাটী আৰক্ষীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7232

অসম

এনডিএ ৩.০ চৰকাৰৰ ২০০ দিন সম্পূৰ্ণ: চৰকাৰে কি কি কৰিলে খতিয়ান দাঙি ধৰিলে মুখ্যমন্ত্রীয়ে

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:২৩



গুৱাহাটী, ২৮ নৱেম্বৰ: অসমত এনডিএ ৩.০ চৰকাৰৰ ২০০ দিন সম্পূৰ্ণ হোৱা উপলক্ষে ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনি, বিনিয়োগ, আন্তঃগাঁথনি উন্নয়ন আৰু নিৰাপত্তা ব্যৱস্থাৰ খতিয়ান দাঙি ধৰিছে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই। শনিবাৰে সামাজিক মাধ্যমত এক বিস্তৃত বার্তা প্রকাশ কৰি চৰকাৰৰ এই সময়ছোৱাৰ কাম-কাজ আৰু ভৱিষ্যৎ উন্নয়নৰ অগ্রাধিকাৰ সন্দর্ভত তেওঁ আলোকপাত কৰে। অসমৰ ৰাইজৰ আস্থা আৰু সহযোগিতাৰ বাবে কৃতজ্ঞতা প্রকাশ কৰি মুখ্যমন্ত্রীগৰাকীয়ে এখন 'বিকশিত অসম' গঢ়াৰ লক্ষ্যৰ কথা পুনৰ দোহাৰে।


বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7298

অসম

গুৱাহাটীৰ লাচিত ঘাটৰ সমীপত ব্রহ্মপুত্রত অচিনাক্ত মৃতদেহ উদ্ধাৰ

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:২৮



গুৱাহাটী, ২৮ নৱেম্বৰ: গুৱাহাটীৰ লাচিত ঘাটৰ সমীপত ব্রহ্মপুত্র নদীৰ বুকুত উদ্ধাৰ হৈছে এজন অচিনাক্ত ব্যক্তিৰ মৃতদেহ। শনিবাৰে পুৱা প্রায় ১১.৩০ বজাত নদী আৰক্ষীয়ে অভিযান চলাই মৃতদেহটো উদ্ধাৰ কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7308

অসম

বহুভাষিক পণ্ডিত পূজ্য এ.পান্নাচাৰা ভিক্ষুৰ মহাপ্রয়াণ: শৈক্ষিক-আধ্যাত্মিক জগতত অপূৰণীয় শূন্যতা

শ্যাম যাদৱ | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৩



বহুভাষিক পণ্ডিত পূজ্য এ.পান্নাচাৰা ভিক্ষুৰ মহাপ্রয়াণ: শৈক্ষিক-আধ্যাত্মিক জগতত অপূৰণীয় শূন্যতা

মার্ঘেৰিটা সমজিলাৰ ৩ নং মাকুম পথাৰস্থিত মাছেগাঁও বৌদ্ধ বিহাৰৰ প্রধান ভিক্ষু তথা ১৫ টাতকৈও অধিক দেশী-বিদেশী ভাষাত পাৰদর্শী বিশিষ্ট পণ্ডিত পূজ্য এ.পান্নাচাৰা ভিক্ষুৱে আজি পুৱা ৫ বজাত ইহলীলা সম্বৰণ কৰাত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰিছে।

ভাষা, সাহিত্য আৰু সংস্কৃতিৰ চর্চাক নতুন মাত্রা দিয়া এইগৰাকী মহান সাধকৰ চিংফৌ ভাষাৰ অভিধান ৰচনাৰ অনবদ্য অৱদান চিৰস্মৰণীয় হৈ ৰ'ব, লগতে তেখেতৰ বলিষ্ঠ নেতৃত্বতেই বিহাৰ প্রাংগণত ৰাষ্ট্রীয়-আন্তঃৰাষ্ট্রীয় পর্যায়ৰ 'পান্নাচাৰা বিদ্যাপীঠ' গঢ়ি উঠিছিল।

জ্ঞান, সাধনা আৰু মানৱতাৰ সেৱাত সমর্পিত পূজ্য ধর্মগুৰুৰ এই বিয়োগে অঞ্চলটোৰ শৈক্ষিক তথা আধ্যাত্মিক জগতত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে।

মহাপ্রয়াণৰ খবৰ বিয়পি পৰাৰ লগে লগে পূর্বাঞ্চল ভিক্ষু সংঘৰ অধ্যক্ষসহ অসম আৰু অৰুণাচল প্রদেশৰ বহু ধর্ম ভিক্ষু তথা ভক্তপ্রাণ ৰাইজে অন্তিম শ্রদ্ধাঞ্জলী জনাবলৈ উপস্থিত হয়হি।

ইফালে, তেখেতৰ বিয়োগত অৰুণাচলৰ উপ-মুখ্যমন্ত্রী ড° চওনা মেইন, বিভিন্ন ভিক্ষু সংঘ, পূর্বাঞ্চল বৌদ্ধ সংঘ, ছাত্র-সমাজ, সুৰভী মহিলা সমিতি আৰু বিছা ৰজা মুংদাং গাম চিংফৌকে ধৰি অসংখ্য ব্যক্তি-সংগঠনে গভীৰ শোক প্রকাশ কৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7342

অসম

যোৰহাটত ডেলিভাৰী দিবলগীয়া ৫০ টন কয়লা মৰিগাঁৱৰ ইটা ভাটাত! চালকৰ বিৰুদ্ধে আত্মসাতৰ অভিযোগ

নাছিদুৰ ৰহমান | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৫



মৰিগাঁও, ২৮ নৱেম্বৰঃ মৰিগাঁও জিলাত কয়লাৰ অবৈধ বেহাক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্য। যোৰহাটত ডেলিভাৰী দিবলগীয়া প্ৰায় ৫০ টন কয়লা মৰিগাঁৱৰ গৰৈমাৰিস্থিত SBI নামৰ এটা ইটা ভাটাত উদ্ধাৰ হোৱা বুলি অভিযোগ উত্থাপন হৈছে। ট্ৰাকভৰ্তি কয়লাখিনি নিৰ্ধাৰিত গন্তব্যস্থানত জমা নিদি আন স্থানত বিক্ৰী কৰাৰ অভিযোগ উঠিছে চালক অতাবুৰ ৰহমানৰ বিৰুদ্ধে।

প্ৰাপ্ত অভিযোগ অনুসৰি, জাগীৰোডৰ পৰা এখন ট্ৰাকত প্ৰায় ৫০ টন কয়লা যোৰহাটত ডেলিভাৰী দিয়াৰ উদ্দেশ্যে লোড কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7292

অসম

কোকৰাঝাৰত ১ ডিচেম্বৰৰ পৰা উত্তৰ-পূব ৰাষ্ট্ৰীয় গ্ৰন্থমেলা, বডোলেণ্ড-২০২৬

ধনঞ্জয় বৰ্মন | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৬



বিটিচি চৰকাৰৰ শিক্ষা বিভাগ আৰু নৰ্থ-ইষ্ট পাব্লিছাৰ্ছ এণ্ড বুক ছেলাৰ্ছ গিল্ডৰ যৌথ উদ্যোগত আয়োজন কৰা হৈছে এই গ্ৰন্থমেলাখন।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7336

অসম

এক্সেলেন্ট একাডেমী, সোণতলীৰ সপ্তম সংখ্যক বাৰ্ষিক অধিৱেশনৰ মুকলি ও বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন।

মীৰ মুছাৰোফ হুছাইন | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৫



দক্ষিণ কামৰূপৰ সোণতলীস্থিত অগ্ৰণী শিক্ষানুষ্ঠান এক্সেলেন্ট একাডেমীৰ সপ্তম সংখ্যক বাৰ্ষিক অধিৱেশনৰ মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানটি আজি উলহ-মালহ আৰু বৰ্ণাঢ্য পৰিৱেশৰ মাজেৰে সম্পন্ন হয়। চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা এই বাৰ্ষিক অধিৱেশনক লৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা স্থানীয় ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা দেখা যায়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7356

অসম

জন্মদাতা পিতৃ-মাতৃৰ সন্ধানত ৩৫ বছৰৰ মূৰত গুৱাহাটীত উপস্থিত বেলজিয়ামৰ মহিলা চান্ধা

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৫০



গুৱাহাটী, ২৮ নৱেম্বৰ: শৈশৱতে অসম এৰি বেলজিয়ামলৈ যোৱা এগৰাকী মহিলাই প্ৰায় ৩৫ বছৰৰ পিছত নিজৰ জন্মদাতা পিতৃ-মাতৃৰ সন্ধানত পুনৰ গুৱাহাটীত উপস্থিত হৈছে। চান্ধা নামৰ মহিলাগৰাকীয়ে ছয় বছৰ বয়সতে এটা সংস্থাৰ সহায়ত তোলনীয়া হিচাপে বেলজিয়ামলৈ গৈছিল। এতিয়া নিজৰ শিপা আৰু জন্মৰ পৰিচয় বিচাৰি তেওঁ স্বামীৰ সৈতে অসমলৈ উভতি আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7322

অসম

গুৱাহাটীৰ খানাপাৰাত আৰম্ভ হ'ল ১৭ সংখ্যক অসমী সৰস মেলা

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২০



গুৱাহাটী: দেশৰ বিভিন্ন প্ৰান্তৰ পৰম্পৰাগত শিল্প, হস্তশিল্প আৰু থলুৱা সামগ্ৰীৰ সমাহাৰেৰে গুৱাহাটীৰ খানাপাৰাত আৰম্ভ হৈছে ১৭ সংখ্যক অসমী সৰস মেলা। খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ২৭ নৱেম্বৰৰ পৰা আনুষ্ঠানিকভাৱে আৰম্ভ হোৱা ১৫ দিনীয়া এই মেলাখন অহা ১১ ডিচেম্বৰলৈকে অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন ৰাজ্যৰ শিল্পী, ব্যৱসায়ী আৰু প্ৰদৰ্শকসকলৰ অংশগ্ৰহণেৰে মেলাখনে ইতিমধ্যে বিশেষ আকৰ্ষণ সৃষ্টি কৰিছে।

এইবাৰৰ মেলাত মুঠ ৩১৫টা বাণিজ্যিক প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে। ভাৰতৰ ২৭খন ৰাজ্যৰ পৰা অহা ব্যৱসায়ী, শিল্পী আৰু প্ৰদৰ্শকসকলে নিজৰ নিজৰ অঞ্চলৰ পৰম্পৰাগত সামগ্ৰী, হস্তশিল্প আৰু কুটীৰ শিল্পৰ উৎপাদিত সামগ্ৰী লৈ মেলাত উপস্থিত হৈছে। ইয়াৰ ফলত দৰ্শনাৰ্থীসকলে একেখন মঞ্চতে দেশৰ বিভিন্ন প্ৰান্তৰ শিল্প-সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে পৰিচিত হোৱাৰ সুযোগ লাভ কৰিছে।

মেলাখনত উপলব্ধ হৈছে বিভিন্ন ৰাজ্যৰ পৰম্পৰাগত হস্তশিল্প, কুটীৰ শিল্পৰ সামগ্ৰী আৰু স্থানীয়ভাৱে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী। দৰ্শনাৰ্থীসকলে এই সামগ্ৰীসমূহ প্ৰত্যক্ষ কৰাৰ লগতে নিজৰ পছন্দ অনুসৰি ক্ৰয়ো কৰিব পাৰিব। বিশেষকৈ পৰম্পৰাগত শিল্পকৰ্ম আৰু থলুৱা উৎপাদনৰ প্ৰতি আগ্ৰহী লোকসকলৰ বাবে মেলাখন এক আকৰ্ষণীয় গন্তব্যস্থলী হৈ উঠাৰ সম্ভাৱনা আছে।

অসমী সৰস মেলাৰ অন্যতম উদ্দেশ্য হৈছে ক্ষুদ্ৰ ব্যৱসায়ী, পৰম্পৰাগত শিল্পী আৰু আত্মসহায়ক গোটসমূহক নিজৰ উৎপাদিত সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ বাবে এখন বৃহৎ বজাৰ প্ৰদান কৰা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7168

অসম

গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ পাৰত সৌন্দৰ্যবৰ্ধনৰ মাজতে প্ৰদূষণৰ ভয়াৱহ ছবি

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০২



গুৱাহাটী: গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ পাৰৰ সৌন্দৰ্যবৰ্ধনৰ বাবে চৰকাৰে বৃহৎ ধন বিনিয়োগ কৰিছে যদিও নদীখনৰ প্ৰদূষণ এতিয়াও এক গুৰুতৰ সমস্যা হৈয়ে আছে। নদীৰ পাৰত প্লাষ্টিক, পলিথিন, ধৰ্মীয় পূজাৰ সামগ্ৰী, শ্মশানৰ পেলনীয়া বস্তু আৰু নলাৰ লেতেৰা পানী জমা হৈ থকা দৃশ্যই মহানগৰখনৰ আৱৰ্জনা নিষ্কাশন ব্যৱস্থাৰ ওপৰত প্ৰশ্ন তুলিছে।

গেটৱে' ব্ৰহ্মপুত্ৰ, ব্ৰহ্মপুত্ৰ ৰিভাৰফ্ৰণ্ট, ব্ৰহ্মপুত্ৰ হেৰিটেজ চেণ্টাৰ আৰু ৰ'পৱেৰ দৰে প্ৰকল্পসমূহে গুৱাহাটীৰ নদীকাষৰীয়া দৃশ্যপট সলনি কৰি তুলিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7160

অসম

হাফলং চৰকাৰী মহাবিদ্যালয়ত যুৱ সংবাদ: সংবিধান দিৱসত ২০৪৭ চনৰ বিকশিত ভাৰত সম্পৰ্কে আলোচনা

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৫



হাফলং, ২৭ নৱেম্বৰ: সংবিধান দিৱসৰ উপলক্ষে ডিমা হাছাও জিলাৰ হাফলং চৰকাৰী মহাবিদ্যালয়ত বৃহস্পতিবাৰে 'বিকশিত ভাৰত যুৱ সংবাদ' শীৰ্ষক এক বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7128

অসম

বোকাখাততে ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জৰাজীৰ্ণ অৱস্থা আৰু ৰঙামাটি টোল গেটক লৈ তীব্ৰ ক্ষোভ

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪১



বোকাখাত, গোলাঘাট: কাজিৰঙাৰ ৰঙাজানত শেহতীয়াকৈ সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত ২৬ জন লোক নিহত হোৱাৰ লগতে কেইবাজনো গুৰুতৰভাৱে আহত হোৱা ঘটনাই গোলাঘাট জিলাৰ ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ (পূৰ্বৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ) শোচনীয় অৱস্থা পুনৰ পোহৰলৈ আনিছে। নুমলীগড়ৰ পৰা কলিয়াবৰ সংযোগী এই পথছোৱা দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ হৈ থকাৰ ফলত যাত্ৰী আৰু চালকসকলে চৰম দুৰ্ভোগ ভোগ কৰিবলগীয়া হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7086

অসম

শীতৰ আগমনৰ লগে লগে শিৱসাগৰৰ ঐতিহাসিক পহুগড়ত পৰিভ্ৰমী চৰাইৰ কলৰৱ

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩১



শিৱসাগৰ: শীতৰ আগমনৰ লগে লগে পৰিভ্ৰমী চৰাইৰ কলৰৱেৰে মুখৰিত হৈ পৰিছে শিৱসাগৰৰ ঐতিহাসিক পহুগড়। দূৰ-দূৰণিৰ পৰা অহা শীতকালীন অতিথি চৰাইৰ উপস্থিতিয়ে পহুগড়ৰ জলাশয়সমূহৰ সৌন্দৰ্য অধিক বৃদ্ধি কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7082

অসম

কলিয়াবৰৰ বৰঘূলীত মিনি ট্ৰাক আৰু বাইকৰ মুখামুখি সংঘৰ্ষ, গুৰুতৰভাৱে আহত এজন

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৭



কলিয়াবৰৰ বৰঘূলীত ভয়ংকৰ পথ দুৰ্ঘটনা: গুৰুতৰভাৱে আহত বাইক আৰোহী, পথ অৱৰোধ কৰি প্ৰতিবাদ

নগাঁও: নগাঁও জিলাৰ কলিয়াবৰৰ বৰঘূলীত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। এখন মিনি ট্ৰাক আৰু মটৰচাইকেলৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত এজন বাইক আৰোহী গুৰুতৰভাৱে আহত হয়।

জানিব পৰা মতে, দুৰ্ঘটনাটোত আহত মটৰচাইকেল আৰোহীজনক শোণিতপুৰ জিলাৰ ছহিদুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। বৰঘূলী অঞ্চলত মিনি ট্ৰাকখনৰ সৈতে বাইকখনৰ মুখামুখি সংঘৰ্ষ হোৱাৰ ফলতে এই দুৰ্ঘটনাটো সংঘটিত হয়। সংঘৰ্ষৰ ফলত বাইক আৰোহীজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়।

ইফালে, দুৰ্ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ পিছতে ক্ষুব্ধ স্থানীয় ৰাইজে চুলুং-লাওখোৱা পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। পথ অৱৰোধৰ ফলত অঞ্চলটোত কিছু সময়ৰ বাবে যান-বাহনৰ চলাচল ব্যাহত হয়।

ঘটনা সন্দৰ্ভত খবৰ লাভ কৰাৰ লগে লগে চুলুং আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে স্থানীয় ৰাইজৰ সৈতে আলোচনা কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ চেষ্টা চলায়।


দুৰ্ঘটনাটোৰ কাৰণ সন্দৰ্ভত সবিশেষ তথ্য এতিয়াও পোহৰলৈ অহা নাই। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7098

অসম

চৰাইদেউৰ ঐতিহাসিক এঙেৰা খাট পথাৰলৈ যাতায়াত সুচল কৰিবলৈ কৃষকৰ শ্ৰমদান

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৭



চৰাইদেউ জিলাৰ ঐতিহাসিক এঙেৰা খাট পথাৰলৈ অহা-যোৱা কৰাৰ অসুবিধা দূৰ কৰিবলৈ স্থানীয় কৃষিজীৱী ৰাইজে এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে। খেতিপথাৰখনলৈ যাতায়াত সুচল কৰাৰ উদ্দেশ্যে অঞ্চলটোৰ কৃষকসকলে একত্ৰিত হৈ হাতে-কামে লাগি শ্ৰমদান কাৰ্যসূচী ৰূপায়ণ কৰে।

স্থানীয় ৰাইজে এই কামৰ বাবে নিজাববীয়াকৈ ধন সংগ্ৰহ কৰিছিল। শুকুৰবাৰে পুৱাৰে পৰা কৃষকসকলে সমবেত হৈ পথাৰখনলৈ যোৱা পথছোৱাৰ মেৰামতি আৰু উন্নয়নৰ কাম আৰম্ভ কৰে। স্থানীয়ভাৱে এই বিশাল পথাৰখন বৰপথাৰ নামেৰেও পৰিচিত।

জনশ্ৰুতি অনুসৰি, স্বৰ্গদেউ চাওলুং চুকাফাৰ দিনতে এই বিশাল কৃষিভূমি গঢ় লৈ উঠিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7084

অসম

চানডুবি বিলক ৰামছাৰ ক্ষেত্ৰ হিচাপে স্বীকৃতি দিবলৈ চৰকাৰলৈ প্ৰস্তাৱ বন বিভাগৰ

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০০



আমিনগাঁও, ২৮ নৱেম্বৰ: কামৰূপ জিলাৰ ঐতিহাসিক চানডুবি বিলক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ জলাশয় হিচাপে ৰামছাৰ ক্ষেত্ৰৰ মান্যতা দিয়াৰ বাবে বন বিভাগে ৰাজ্য চৰকাৰলৈ এক প্ৰস্তাৱ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ নিৰ্দেশনাত পশ্চিম কামৰূপ বন সংমণ্ডলে এই প্ৰস্তাৱ প্ৰস্তুত কৰি উলিয়াইছে।

পশ্চিম কামৰূপ বন সংমণ্ডলৰ বন বিষয়া অশোক কুমাৰ দেৱ চৌধুৰীয়ে জনোৱা মতে, জিলা আয়ুক্তগৰাকীৰ নিৰ্দেশ অনুসৰি চানডুবি বিলক ৰামছাৰ ক্ষেত্ৰ ঘোষণা কৰাৰ প্ৰক্ৰিয়াৰ অংশ হিচাপে অতি সোনকালে এই প্ৰস্তাৱ দাখিল কৰা হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7074

অসম

জোনাইত বন বিভাগৰ অভিযানঃ উদ্ধাৰ প্ৰায় ৭ কিলোগ্ৰাম দুষ্প্ৰাপ্য চেং মাছ

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৪



ধেমাজি: ধেমাজি জিলাৰ জোনাইত বন বিভাগে এক অভিযান চলাই প্ৰায় ৭ কিলোগ্ৰাম দুষ্প্ৰাপ্য চেং মাছ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7091

অসম

ৰাসোৎসৱক লৈ সত্ৰনগৰী মাজুলীত ব্যাপক উছাহ

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৩



মাজুলী: শ্ৰীকৃষ্ণৰ ৰাসলীলাক কেন্দ্ৰ কৰি ঐতিহ্যমণ্ডিত নদীদ্বীপ মাজুলীত সৃষ্টি হৈছে এক উখল-মাখল পৰিৱেশ। ৰাস মহোৎসৱৰ ব্যাপক প্ৰস্তুতি আৰু উদযাপনেৰে এতিয়া উৎসৱমুখৰ হৈ পৰিছে সমগ্ৰ সত্ৰনগৰী।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7088

অসম

লামডিঙ-বদৰপুৰ পাহাৰীয়া অংশত মালবাহী ৰে'ল লাইনচ্যুত: ১১ খন ৰে'ল বাতিল

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪০



লামডিঙ, ২৮ নৱেম্বৰ: উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিঙ সংমণ্ডলৰ অন্তর্গত লামডিঙ-বদৰপুৰ পাহাৰীয়া ৰে'লপথত শুকুৰবাৰে নিশা এক মালবাহী ৰে'লৰ দবা লাইনচ্যুত হোৱাৰ ফলত ৰে'ল চলাচল ব্যাহত হৈ পৰে। বান্দৰখাল আৰু দামচেৰা ষ্টেচনৰ মাজত সংঘটিত হয় এই দুর্ঘটনাটো।

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসংযোগ বিষয়া কপিন্দ্রল কিশোৰ শর্মাই এক প্রেছ বিজ্ঞপ্তিযোগে জনোৱা অনুসৰি, এই ঘটনাৰ বাবে ২৮ নৱেম্বৰৰ দিনটোত চলিবলগীয়া ১১ খন ৰে'লৰ যাত্রা বাতিল কৰা হৈছে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/7100

অসম

ঢকুৱাখনাত মূল্যবৃদ্ধিৰ বিৰুদ্ধে ক্ষোভ, চৰকাৰক বাস্তৱ পদক্ষেপ গ্রহণৰ দাবী চুতীয়া যুৱ সন্মিলনৰ

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩০



লখিমপুৰ, ৭ মার্চ: ৰাজ্যৰ বজাৰত অত্যাৱশ্যকীয় খাদ্যসামগ্রী আৰু নিত্য ব্যৱহার্য সামগ্রীৰ অস্বাভাৱিক মূল্যবৃদ্ধিয়ে সাধাৰণ জনজীৱন বিপর্যস্ত কৰি তোলাৰ সময়তে চৰকাৰক কেৱল আশ্বাস এৰি বাস্তৱ পদক্ষেপ গ্রহণ কৰিবলৈ আহ্বান জনাইছে চুতীয়া যুৱ সন্মিলন, অসমে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/7093

অসম

বিশ্বনাথৰ ভিতৰুৱা অঞ্চলত খিলঞ্জীয়া শিক্ষার্থীৰ বাবে নির্মাণ কৰা হৈছে হোষ্টেল

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৬



বিশ্বনাথ, ২৮ নৱেম্বৰ: বিশ্বনাথ জিলাৰ ব্রহ্মপুত্রৰ কাষৰীয়া এক ভিতৰুৱা অঞ্চলত খিলঞ্জীয়া ছাত্র-ছাত্রীসকলৰ বাবে এটি হোষ্টেল নির্মাণ কৰা হৈছে। শিক্ষা গ্রহণৰ সময়ত যাতে খিলঞ্জীয়া সম্প্রদায়ৰ শিক্ষার্থীসকলে নিৰাপদ বাসস্থানৰ সমস্যাত ভুগিবলগীয়া নহয়, তাৰ প্রতি লক্ষ্য ৰাখিয়েই এই ব্যৱস্থা হাতত লোৱা হৈছে বুলি শনিবাৰে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই ঘোষণা কৰে।

সামাজিক মাধ্যমত এই কথা সদৰী কৰি মুখ্যমন্ত্রীগৰাকীয়ে কয় যে বিশ্বনাথৰ এক ভিতৰুৱা অঞ্চলত ব্রহ্মপুত্রৰ পাৰত এই হোষ্টেলটো নির্মাণ কৰা হৈছে। ইয়াৰ ফলত অধ্যয়নৰ সময়ত শিক্ষার্থীসকলে বাসস্থানক লৈ চিন্তা কৰিবলগীয়া নহ'ব।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/7096

অসম

হাইলাকান্দিত ২ কোটি টকাৰ হেৰ'ইনসহ আৰক্ষীৰ জালত দুজন

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, পুৱা ১১:৫০



হাইলাকান্দি: ড্রাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে হাইলাকান্দি জিলাত লাভ কৰিছে বৃহৎ সফলতা।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/7133

অসম

জাগীৰোডৰ এজনসহ ভুৱা মার্কশ্বীট চক্রৰ তিনি অভিযুক্তক গ্রেপ্তাৰ চিআইডিৰ

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১০



গুৱাহাটী: অসমত দশম শ্রেণীৰ ভুৱা মার্কশীট আৰু উত্তীর্ণৰ প্রমাণপত্র প্রস্তুত কৰা এক বৃহৎ চক্রৰ বিৰুদ্ধে অভিযান চলাই অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে (চিআইডি) শুকুৰবাৰে তিনিজন লোকক গ্রেপ্তাৰ কৰিছে। ধৃত লোককেইজনৰ ভিতৰত মৰিগাঁও জিলাৰ জাগীৰোডৰ ভাৰত গৌৰ নামৰ এজন ব্যক্তিও আছে।

অভিযানত গ্রেপ্তাৰ হোৱা আন দুজন অভিযুক্ত হৈছে বৰপেটা জিলাৰ দীপ কুমাৰ সৰকাৰ আৰু অভয়াপুৰীৰ উৎপল দাস।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7103

অসম

২০২৭ চনৰ জানুৱাৰীৰ পৰা হর্ণমুক্ত চহৰ হিচাপে গঢ়ি তোলা হ'ব কোকৰাঝাৰক

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, পুৱা ১১:৫৮



কোকৰাঝাৰ, ২৭ নৱেম্বৰ: ২০২৭ চনৰ জানুৱাৰী মাহৰ পৰা কোকৰাঝাৰ চহৰক হর্ণমুক্ত চহৰ হিচাপে ঘোষণা কৰা হ'ব। শুকুৰবাৰে জিলা প্রশাসনে আয়োজন কৰা এক পথ সুৰক্ষা সজাগতা কার্যসূচীত অংশ লৈ জিলাধিপতি পংকজ চক্রৱর্তীয়ে এই কথা ঘোষণা কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7117

অসম

যোগীঘোপাৰ নৰনাৰায়ণ সেতুৰ সমীপত ভয়ংকৰ পথ দুর্ঘটনা, বিলাসীপাৰাৰ এজনৰ মৃত্যু আৰু তিনিজন আহত

NewzNow জিলা ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, পুৱা ১১:৪২



ধুবুৰী, ২৮ নৱেম্বৰ: যোগীঘোপাৰ ১৭ নম্বৰ ৰাষ্ট্রীয় ঘাইপথৰ নৰনাৰায়ণ সেতুৰ সমীপত আজি পুৱতি নিশা সংঘটিত এক ভয়াৱহ পথ দুর্ঘটনাত ধুবুৰী জিলাৰ বিলাসীপাৰাৰ এজন লোক থিতাতে নিহত হয়। ঘটনাটোত আন তিনিজন লোক গুৰুতৰভাৱে আঘাতপ্রাপ্ত হৈছে।

নিহত লোকজন বিলাসীপাৰাৰ মহেজ আলী বুলি চিনাক্ত কৰা হৈছে। দুর্ঘটনাত পতিত মাৰুতি এল্ট' বাহনখনৰ যাত্রী আছিল মহেজ আলী আৰু ঘটনাস্থলীতে তেওঁৰ মৃত্যু ঘটে। আঘাতপ্রাপ্ত আন তিনিজন লোক ক্রমে জামাল বাদশাহ, গাজিবৰ ৰহমান আৰু আব্দুছ ছালাম বুলি জানিব পৰা গৈছে। নিহত আৰু আহত আটাইকেইজন লোকেই বিলাসীপাৰাৰ বাসিন্দা।

ঘটনাৰ বিৱৰণি অনুসৰি, বঙাইগাঁৱৰ দিশৰ পৰা গোৱালপাৰা অভিমুখে গৈ থকা এএছ-০১ এমচি-৩০২১ নম্বৰৰ এখন ডাম্পাৰ আৰু গোৱালপাৰাৰ ফালৰ পৰা বিলাসীপাৰা অভিমুখে আহি থকা এএছ-০১ জিইউ-২৪৭১ নম্বৰৰ এল্ট' বাহনখনৰ মাজত এই মুখামুখি সংঘর্ষ হয়। সংঘর্ষৰ প্রচণ্ড খুন্দাত এল্ট' গাড়ীখনৰ যাত্রী মহেজ আলীয়ে প্রাণ হেৰুৱায়।

স্থানীয় ৰাইজ আৰু আৰক্ষীৰ তৎপৰতাত আহতসকলক উদ্ধাৰ কৰি প্রথমে চলন্তাপাৰা সামূহিক স্বাস্থ্যকেন্দ্রলৈ নিয়া হয়। অৱশ্যে তেওঁলোকৰ অৱস্থা সংকটজনক হোৱাৰ বাবে পাছত উন্নত চিকিৎসাৰ অর্থে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্রেৰণ কৰা হয়।

পুৱতি নিশা সংঘটিত এই দুর্ঘটনাৰ বাবে ৰাষ্ট্রীয় ঘাইপথটোত কিছু সময়ৰ বাবে তীব্র যান-জঁটৰ সৃষ্টি হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7119

অসম

একশ্যন মুডত ডিগবৈ পৌৰসভা। ডাম্পিং গ্ৰাউণ্ড সদৃশ কৰ্দয্যময় লাচিত নগৰত চলালে চাফাই অভিযান।

বিজয় সূত্ৰধৰ | ২৮ নৱেম্বৰ ২০২৬, পুৱা ১১:৩১



ডাম্পিং গ্ৰাউণ্ডলৈ পৰিণত ডিগবৈ লাচিত নগৰত আজি পুৱাৰ ভাগত একশ্যন মুডত পৰিলক্ষিত হল ডিগবৈ পৌৰসভা। ডিগবৈ চহৰৰ লাচিত নগৰলৈ সোমোৱা পথছোৱাৰ কাষৰ খালী মাটিডোখৰত একাংশ লোকে দীৰ্ঘদিন ধৰি লুকাই-চুৰকৈ জাবৰ পেলাই অহাৰ ফলত সমগ্ৰ অঞ্চলটোত অসহনীয় পৰিবেশৰ সৃষ্টি হৈ আহিছে। ফলস্বৰূপে জাবৰ পেলোৱা ঠাইডোখৰৰ কাষতে অৱস্থিত আৰ ডি জুনিয়ৰ কলেজ, কলেজখনৰ ছাত্ৰাবাস আৰু বহু কেইটা বাসগৃহ আৰু প্ৰতিদিনে শ শ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু স্থানীয় ৰাইজে গেলাপচা জাবৰৰ দুৰ্গন্ধৰ মাজেৰে নাকত ৰুমাল দি অহা-যোৱা কৰিবলগীয়া হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7056

অসম

জিলা আয়ুক্তৰ নকল ছীল, একেদিনাই ক'লা ধন বগা কৰা কৌশল আৰু ঠিকাদাৰৰ কমিছন: পাঁচদিনীয়া অভিযানত উদং হ'ল অসমৰ প্ৰশাসনত দুৰ্নীতিৰ গোপন জাল

NewzNow ডেস্ক | ২৮ নৱেম্বৰ ২০২৬, পুৱা ১০:৫৬



চৰকাৰী ব্যৱস্থাত দুৰ্নীতি কেতিয়াও হঠাৎ গজি উঠা বিচ্ছিন্ন ঘটনা নহয় - বৰং জিলা কোষাগাৰ, ৰাজহ চক্ৰ আৰু অভিযান্ত্ৰিক বিভাগৰ বিল পাছ হোৱা টেবুলৰ চিনাকি সুৰুঙাবোৰেদি ই পানীৰ দৰে বৈ থাকে। যোৱা মাত্ৰ পাঁচটা দিনত (২৩ৰ পৰা ২৭ নৱেম্বৰ, ২০২৬) অসমত আৰক্ষীৰ অভিযান, পিএমএলএ (PMLA) আইনৰ অধীনত সম্পত্তি বাজেয়াপ্তকৰণ আৰু আদালতত দাখিল হোৱা অভিযোগনামাই প্ৰশাসনৰ তিনিটা ভিন্ন তৰপত চৰকাৰী পুঁজি সৰকোৱা তথা ক'লা ধন বগা কৰাৰ সম্পূৰ্ণ নক্সাখন ৰাইজৰ সমুখত উদঙাই দিছে।

জিলা প্ৰশাসনৰ একেবাৰে মূল কেন্দ্ৰতেই কেনেদৰে চৰকাৰী ধনৰ শৰাধ পতা হৈছিল, তাৰ এক বিস্ময়কৰ ঘটনা প...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7072

এই সংখ্যাত

১ ভূপেন হাজৰিকা অনুপ্ৰেৰণা আৰু জুবিন গাৰ্গ শক্তিৰ উৎস: হিমন্ত বিশ্ব শৰ্মা
১ ছোনিয়া গান্ধীয়ে নাগৰিকত্ব লাভ কৰিছিল ১৯৮৩ চনত অথচ ১৯৮০ চনৰ ভোটাৰ তালিকাত আছিল নাম :দিল্লী আৰক্ষী
১ বিৰোধী দলসমূহক বিভক্ত কৰি কেন্দ্ৰীয় চৰকাৰে আনিছে সমষ্টি পুনৰ্নিৰ্ধাৰণ বিধেয়ক: গৌৰৱ গগৈৰ অভিযোগ
১ সমষ্টি পুনৰ নিৰ্ধাৰণ বিধেয়কক ডিএমকেৰ সমৰ্থন: ষ্টেলিনক তীব্ৰ কটাক্ষ বিজয়ৰ দল টিভিকেৰ
১ লোকসভাৰ আসন ৮৫০লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ বিপজ্জনক: ৰাহুল গান্ধী

আৰু ৬৪টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen